**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পৰ্টুগালৰ ৰাজধানী লিছবনত উপস্থিত হয়।

২।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু অঞ্চলৰ সন্ত্ৰাসজৰ্জৰিত পৰিস্থিতি অতি সোনকালে নিয়ন্ত্ৰণলৈ অনা হ'ব বুলি প্ৰকাশ কৰে।

৩।	নতুন দিল্লীত আজি নৌ সেনাধ্যক্ষ সন্মিলনৰ প্ৰথম সংস্কৰণৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হ'ব।

৪।	আজি বিশ্ব স্বাস্থ্য দিৱস। এই বছৰৰ বিশ্ব স্বাস্থ্য দিৱসৰ প্ৰতিপাদ্য বিষয়বস্তু হৈছে- স্বাস্থ্যৱান আৰম্ভণি, আশাপূৰ্ণ ভৱিষ্যৎ।	**আৰু**

৫।	হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পৰ্টুগালৰ ৰাজধানী লিছবনত উপস্থিত হয়। ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো ডি ছুচাক সাক্ষাৎ কৰিব আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৱে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইচ মণ্টেগ্ৰো আৰু নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ পেড্ৰ' অগুইৰ ব্ৰেংকোক সাক্ষাৎ কৰিব।

ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু শ্লোভাকিয়ালৈ ৰাওনা হ'ব। ভ্ৰমণকালত তেওঁ শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

এইবছৰ ভাৰত আৰু পৰ্টুগালৰ মাজত কূটনৈতিক সম্পৰ্কৰ পুনৰ স্থাপনৰ ৫০ বছৰ পূৰ্তি উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখন ভ্ৰমণ কৰিব। ২৭ বছৰ পাছত এয়া হ'ব এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ পৰ্টুগাল ভ্ৰমণ। ভাৰত আৰু পৰ্টুগালে বিগত বহু বছৰ ধৰি ঐতিহাসিক আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক ৰক্ষা কৰি আহিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ এই ভ্ৰমণে পৰ্টুগালৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক উন্নত কৰিব বুলি আশা কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ শ্লোভাকিয়া ভ্ৰমণে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰিত কৰিব। পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হ'ব বুলিও আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী থাইলেণ্ড আৰু শ্ৰীলংকা ভ্ৰমণ সফলতাৰে সামৰণি মাৰি নতুন দিল্লীত উপস্থিত হয়। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে বেংককৰ থাইলেণ্ডত ষষ্ঠ BIMSTEC শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়েকেৰ আমন্ত্ৰণমৰ্মে কলম্বোত উপস্থিত হয়। নতুন দিল্লীত উপস্থিত হোৱাৰ পূৰ্বে শ্ৰীমোদীয়ে তামিলনাডুৰ ৰামেশ্বৰমত নতুনকৈ নিৰ্মাণ কৰা পাম্বন

ৰে'ল সেতু উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তামিলনাডুত ৮ হাজাৰ ৩০০ কোটিৰো অধিক টকাৰ বিভিন্ন ৰে'ল আৰু পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপিৰ বিধায়ক আৰু দলৰ জ্যেষ্ঠ নেতাসকলক আশ্বাস প্ৰদান কৰি কয়, যে জম্মু অঞ্চলৰ সন্ত্ৰাসজৰ্জৰিত পৰিস্থিতি অতি সোনকালে নিয়ন্ত্ৰণলৈ অনা হ'ব। জম্মু-কাশ্মীৰৰ পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ ক্ষেত্ৰত গৃহমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ স্থিতি স্পষ্ট কৰি কয়, যে উপযুক্ত সময়ত জম্মু-কাশ্মীৰক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা পুনৰ প্ৰদান কৰা হ'ব। শ্ৰীশ্বাহে জম্মুৰ ত্ৰিকূটা নগৰৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ উপস্থিতিত ২৮ জন দলীয় বিধায়কৰ সৈতে হোৱা বৈঠকত এই কথা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া জম্মু-কাশ্মীৰ ভ্ৰমণসূচীৰে কালি জম্মুত উপস্থিত হয়। জম্মু বিমান বন্দৰত গৃহমন্ত্ৰীগৰাকীক ৰাজ্যপাল মনোজ সিনহা আৰু কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে আদৰণি জনায়। শ্ৰীশ্বাহে আজি কথুৱা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বি এছ্ এফৰ বিনয় আউটপ'ষ্ট পৰিদৰ্শন কৰি অঞ্চলটোৰ সামগ্ৰিক নিৰাপত্তা ব্যৱস্থা পৰ্যালোচনা কৰিব। ইয়াৰ পিছতে গৃহমন্ত্ৰীগৰাকীয়ে জম্মুৰ ৰাজভৱনত শ্বহীদ আৰক্ষীৰ পৰিয়ালক সাক্ষাৎ কৰিব। যোৱা ২৩ মাৰ্চত কথুৱা জিলাত সন্ত্ৰাসবাদীৰ সৈতে যুঁজি চাৰিজন আৰক্ষী শ্বহীদ হৈছিল। বিয়লিৰ ভাগত তেওঁ শ্ৰীনগৰলৈ ৰাওনা হ'ব আৰু তেওঁ তাত কাইলৈ জম্মু-কাশ্মীৰৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ বুজ ল'ব। ২০২৩ চনৰ ১৩ ছেপ্তেম্বৰত অনন্তনাগ জিলাৰ কুকেৰনাগ অঞ্চলত সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত শ্বহীদ হোৱা উপ-আৰক্ষী অধীক্ষক হুমায়ুন ভাটৰ পৰিয়ালক সাক্ষাৎ কৰিব। মন্ত্ৰীগৰাকী কাইলৈ শ্ৰীনগৰত এখন নিৰাপত্তা পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব।

০০০০০

আজি বিশ্ব স্বাস্থ্য দিৱস। জনসাধাৰণৰ মাজত স্বাস্থ্য সচেতনতা বঢ়োৱাৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে আজি বিশ্ব স্বাস্থ্য দিৱস পালন কৰা হয়। প্ৰতিবছৰে এই দিনটোতে বিশ্ব স্বাস্থ্য দিৱস পালন কৰি স্বাস্থ্য সংক্ৰান্তীয় এটা বিশেষ বিষয় সন্দৰ্ভত মানুহৰ মাজত সচেতনতা সৃষ্টিৰ প্ৰয়াস চলোৱা হয়। ১৯৪৮ চনৰ আজিৰ এই দিনটোতেই বিশ্ব স্বাস্থ্য সংস্থাৰ জন্ম হৈছিল। এই বছৰৰ বিশ্ব স্বাস্থ্য দিৱসৰ প্ৰতিপাদ্য বিষয়বস্তু হৈছে- **স্বাস্থ্যৱান আৰম্ভণি, আশাপূৰ্ণ ভৱিষ্যৎ**। এই বিষয়টোৰ জৰিয়তে বিভিন্ন ৰোগ, মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বান সম্পৰ্কে সচেতনতা সৃষ্টি আৰু সমগ্ৰ বিশ্বতে স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াৰ চেষ্টা কৰা হৈছে। প্ৰতিবছৰে বিশ্ব স্বাস্থ্য সংস্থাই এই দিৱসৰ বাবে এটা বিশেষ বিষয়ত আলোকপাত কৰে। ১৯৫০ চনত বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা প্ৰথমবাৰৰ বাবে এই দিৱস উদযাপন কৰা হৈছিল। ইয়াৰ পাছত স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ আৰু মনোযোগ আকৰ্ষণৰ বাবে প্ৰতিবছৰে এই দিৱস পালন কৰি অহা হৈছে।

০০০০০

নতুন দিল্লীত আজি নৌ সেনাধ্যক্ষ সন্মিলনৰ প্ৰথম সংস্কৰণৰ দ্বিতীয় পৰ্যায় অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই সন্মিলনত শীৰ্ষ নৌ সেনাধ্যক্ষৰ মাজত কৌশলগত কাৰ্যকৰী আৰু প্ৰশাসনীয় বিষয়সমূহ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। যোৱা শনিবাৰে কৰ্ণাটকৰ কাৰুৱাৰত সন্মিলনৰ প্ৰথম পৰ্যায় অনুষ্ঠিত হৈছিল। এই সন্মিলন হৈছে এপেক্স পৰ্যায়ৰ দ্বিবাৰ্ষিক অনুষ্ঠান। ভাৰত মহাসাগৰীয় অঞ্চল অৰ্থাৎ অ আই আৰত পচন্দৰ নিৰাপত্তা সহযোগী হিচাপে ভাৰতৰ ভূমিকা সন্দৰ্ভত এই সন্মিলনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একেদৰে আঞ্চলিক শান্তি, সুৰক্ষা আৰু স্থিৰতা স্থাপনৰ ক্ষেত্ৰতো ভাৰতীয় নৌ সেনাৰ অৱদানক শক্তিশালী কৰি

আহিছে। দ্বিতীয় পৰ্যায়ৰ সন্মিলনত পৰিচালনা, মানৱসম্পদ উন্নয়ন, প্ৰশিক্ষণ আৰু প্ৰশাসনকে ধৰি বিভিন্ন দিশৰ বিস্তৃত পৰ্যালোচনা কৰা হ'ব। প্ৰতিৰক্ষা মুৰব্বী, সেনা বাহিনীৰ মুৰব্বী আৰু বায়ু সেনাৰ মুৰব্বীকে ধৰি জ্যেষ্ঠ সামৰিক নেতৃত্বই তিনিওটা বিভাগৰ সহযোগিতা বৃদ্ধিৰ বাবে আলোচনাত অংশগ্ৰহণ কৰিব।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে নতুন শুল্ক প্ৰৱৰ্তন কৰাৰ পাছত ৫০ খনতকৈও অধিক ৰাষ্ট্ৰই বাণিজ্যিক আলোচনা কৰিবৰ বাবে হোৱাইট হাউছৰ লগত যোগাযোগ কৰিছে। ট্ৰাম্পৰ প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে নতুন বৰ্ধিত শুল্কক সমৰ্থন কৰিছে যদিও যোৱা সপ্তাহত আমেৰিকাৰ শ্বেয়াৰ বজাৰ প্ৰায় ৬ ট্ৰিলিয়ন ডলাৰ নিম্নগামী হয়। আমেৰিকাৰ কোষাগাৰ সচিব স্কট বেছেণ্টে এটা সংবাদমাধ্যমত জনোৱা অনুসৰি যোৱা বুধবাৰৰ ঘোষণাৰ পাছত আলোচনাৰ বাবে ৫০ খনতকৈও অধিক ৰাষ্ট্ৰই আমেৰিকাৰ সৈতে যোগাযোগ আৰম্ভ কৰিছে। টাইৱানৰ ৰাষ্ট্ৰপতি লাই চিং তেই বাণিজ্যিক আলোচনাৰ  ভেঁটি হিচাপে শূন্য শুল্কৰ প্ৰস্তাৱ আগবঢ়াই বাণিজ্যিক বাধা আঁতোৰাৰ লগতে টাইৱানৰ কোম্পানীসমূহে আমেৰিকাত অধিক বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্লেষকসকলে আশা কৰাতকৈ অধিক বৰ্ধিত হাৰত  ৰাষ্ট্ৰপতি ট্ৰাম্পে শুল্ক ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত দুদিনৰ ভিতৰতে আমেৰিকাৰ শ্বেয়াৰ বজাৰৰ সূচাংক প্ৰায় ১০ শতাংশ হ্ৰাস হৈছে।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **সমূহীয়াভাৱে জল সংৰক্ষণ অভিযান** সন্দৰ্ভত গংগা পৰিষ্কৰণৰ ৰাষ্ট্ৰীয় অভিযানৰ প্ৰাক্তন সঞ্চালক প্ৰধান জি অশোক কুমাৰৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি বৰষুণৰ পানী সঞ্চয়, দৈনন্দিন জীৱনত পানী সংৰক্ষণ আৰু পানী সংৰক্ষণৰ বাবে চৰকাৰৰ প্ৰচেষ্টাসমূহৰ সন্দৰ্ভত সমল ব্যক্তিগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

ooooo

উত্তৰ প্ৰদেশৰ ডেৰাডুনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে **চিন্তন শিবিৰ ২০২৫**ৰ আয়োজন কৰিছে। সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক সবলীকৰণৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা দূৰ কৰি এখন ন্যায়পূৰ্ণ আৰু সৰ্বাত্মক সমাজ নিৰ্মাণৰ বাবে এই শিবিৰত আলোকপাত কৰা হ'ব।

এই শিবিৰত দেশৰ বিভিন্ন প্ৰান্তৰ পাৰদৰ্শী লোক আৰু অংশীদাৰসকলে সামাজিক ন্যায় আৰু কল্যাণমূলক পদক্ষেপসমূহৰ মূল্যাংকনৰ বাবে একগোট হ'ব। এই শিবিৰৰ মূল উদ্দেশ্য হৈছে অভিন্নতা বঢ়োৱা, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সহযোগিতা বৃদ্ধি কৰা, তৃণমূল পৰ্যায়ত চৰকাৰৰ সেৱাসমূহৰ ফলপ্ৰসু ব্যৱস্থা সুনিশ্চিত কৰা। কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে এই সন্মিলনৰ অধ্যক্ষতা কৰিব।

ooooo

হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে। ১৫৩ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি

গুজৰাট টাইটানছে ১৬ অভাৰ ৪টা বলত ৩টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুজৰাট টাইটানছৰ হৈ অধিনায়ক শুভমন গিলে অপৰাজিত ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ মহম্মদ শ্বামীয়ে দুটা, পেট কামিন্সে এটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫২ ৰাণ কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ মহম্মদ ছিৰাজে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ছাই কিশোৰ আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে। মহম্মদ ছিৰাজক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০

সমাপ্ত